**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 27-JULY-2026
**Time :** 0755 HRS

## ***Assamese Morning Bulletin***

ৰাজ্যৰ বান পৰিস্থিতি সামান্য উন্নত হৈছে যদিও বানৰ বিভীষিকা অব্যাহত আছে। এতিয়াও ৯ খন জিলাৰ ২৪টা ৰাজহ চক্ৰৰ ৭৬৩ খন গাঁও বানত বুৰ গৈ আছে। বানত সম্প্ৰতি ৫ লাখ ২৪ হাজাৰ ৭৩৩ জন লোক ক্ষতিৰ সন্মুখীন হৈছে। বানত কালি চৰাইদেউ জিলাত আৰু দুজন লোকে প্ৰাণ হেৰুৱায়। ইয়াকে লৈ ৰাজ্যত এইবাৰৰ বানত প্ৰাণ হেৰুওৱা লোকৰ সংখ্যা ৬৮ হৈছেগৈ। ৰাজ্যখনত এতিয়াও ৩৭ হাজাৰ ৭২৪ জন লোকে সাহায্য শিবিৰত আশ্ৰয় লৈ আছে।

বান ক্ষতিগ্ৰস্ত অঞ্চলসমূহত উদ্ধাৰ আৰু সাহায্য অভিযান অব্যাহত আছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি পুনৰ টেলিফোনযোগে কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ সৈতে কথা পাতি বান পৰিস্থিতিৰ বিতংভাৱে বুজ লয়। শ্ৰীসোণোৱালে এই সন্দৰ্ভত কয়, যে কেন্দ্ৰীয় চৰকাৰে ৰাজ্যৰ বান পৰিস্থিতি জোৰা মৰাৰ বাবে সকলো সাহায্য আগবঢ়াব বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আশ্বাস দিছে। এই অভূতপূৰ্ব বান পৰিস্থিতি সন্দৰ্ভত কেন্দ্ৰীয় মন্ত্ৰীসভাৰ বৈঠকতো আলোচনা হৈছে বুলি তেওঁ উল্লেখ কৰে। প্ৰধানমন্ত্ৰীৰ নিৰ্দেশমৰ্মে ইতিমধ্যে কেন্দ্ৰীয় চৰকাৰৰ এটা আন্তঃমন্ত্ৰালয়ৰ দল ৰাজ্যত উপস্থিত হৈ ক্ষতিগ্ৰস্ত জিলাসমূহৰ দ্ৰুতগতিত পৰিস্থিতিৰ মূল্যায়ন আৰম্ভ কৰিছে বুলি শ্ৰীসোণোৱালে জানিবলৈ দিয়ে।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি ফেচবুক লাইভযোগে বান পৰিস্থিতিক লৈ প্ৰতিক্ৰিয়া ব্যক্ত কৰি কয়, যে চৰাইদেউ, শিৱসাগৰ, যোৰহাট আৰু গোলাঘাট জিলাৰ ১৯টা ৰাজহ চক্ৰৰ এহেজাৰ ৪০ খন গাঁও বানৰ কবলত পৰিছে। ড০ শৰ্মাই উদ্ধাৰ আৰু সাহায্য অভিযানৰ বিষয়েও উল্লেখ কৰে—

**ৰাইট (চি এম)**

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পৰীক্ষা ব্যৱস্থাৰ সংস্কাৰৰ বাবে এটা উচ্চ ক্ষমতা সম্পন্ন কাৰ্যবাহিনী গঠনৰ কথা ঘোষণা কৰিছে। বিশিষ্ট প্ৰযুক্তি বিশেষজ্ঞ নন্দন নীলেকানিয়ে এই কাৰ্যবাহিনীক নেতৃত্ব দিব। এটা ভিডিঅ' বাৰ্তাত প্ৰধানমন্ত্ৰী মোদীয়ে কয়, যে এই কাৰ্যবাহিনীয়ে পৰীক্ষা ব্যৱস্থাৰ সংস্কাৰৰ ওপৰত গুৰুত্ব আৰোপ কৰিব আৰু ইয়াৰ প্ৰতিবেদনৰ ভিত্তিত যিমান পাৰি শীঘ্ৰে হ'বলগীয়া পৰীক্ষাসমূহৰ বিশ্বাস যোগ্যতা নিশ্চিত কৰা হ'ব। দেশৰ পৰীক্ষা ব্যৱস্থা বিশ্বাসযোগ্য, স্বচ্ছ আৰু পৰ্যাপ্ত প্ৰযুক্তিৰ ব্যৱহাৰেৰে উন্নত হোৱা উচিত বুলি প্ৰধানমন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। এই কাৰ্যবাহিনীত চোৰাংচোৱা ব্যুৰ'ৰ প্ৰাক্তন সঞ্চালক তপন ডেকা, ভাৰতীয় মহাকাশ গৱেষণা কেন্দ্ৰৰ প্ৰাক্তন অধ্যক্ষ এছ সোমনাথ, আই আই টি চেন্নাইৰ সঞ্চালক ভি কামাকটিৰ লগতে প্ৰাক্তন শিক্ষা সচিব অমিতা কাৰৱাল আৰু ল'জিষ্টিক বিশেষজ্ঞ অমৃত লাল মীনা থাকিব। প্ৰধানমন্ত্ৰী মোদীয়ে কয়, যে চৰকাৰে আজি সংসদত পৰীক্ষা সম্পৰ্কীয় কঠোৰ আইনী ব্যৱস্থাৰ সৈতে জড়িত এখন নতুন আইন উত্থাপন কৰিব। শ্ৰীমোদীয়ে লগতে প্ৰতিযোগিতামূলক পৰীক্ষাৰ বিশ্বাসযোগ্যতা অক্ষুণ্ণ ৰখা আৰু লাখ লাখ ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যৎ সুৰক্ষাৰ ক্ষেত্ৰত চৰকাৰৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

০০০০০০

লোকসভাত আজি লোক পৰীক্ষা (অসৎ উপায় প্ৰতিৰোধ) সংশোধনী বিধেয়ক ২০২৬ উত্থাপন কৰা হ'ব। এই বিধেয়কৰ জৰিয়তে লোক পৰীক্ষা (অসৎ উপায় প্ৰতিৰোধ) আইন ২০২৪ৰ সংশোধন কৰা হ'ব। কেন্দ্ৰীয় মন্ত্ৰী ড০ জিতেন্দ্ৰ সিঙে এই বিধেয়কখন উত্থাপন কৰিব। উল্লেখযোগ্য যে যোৱা শুকুৰবাৰে কেন্দ্ৰীয় মন্ত্ৰীসভাই পৰীক্ষাত অসৎ উপায় অৱলম্বন আৰু প্ৰশ্নকাকত ফাদিল গোচৰৰ কঠোৰ শাস্তি সুনিশ্চিত কৰাৰ বাবে ফাষ্টট্ৰেক আদালত গঠনৰ খচৰা বিধেয়কত অনুমোদন জনায়।

০০০০০০

শ্ৰীভূমি জিলাৰ ৰামকৃষ্ণ নগৰ মণ্ডল বিজেপিৰ কাৰ্যালয়ত কালি এখন বিশেষ সাংগঠনিক সভা অনুষ্ঠিত হয়। সভাত সংগঠনটোক অধিক শক্তিশালী আৰু গতিশীল কৰি তোলাৰ বাবে আলোচনা কৰা হয়। লগতে সাংগঠনিক কাম-কাজসমূহ সফলভাৱে ৰূপায়নৰ উদ্দেশ্যে সকলো স্তৰৰ কৰ্মকৰ্তাক ঐক্যবদ্ধভাৱে কাম কৰিবলৈ আহ্বান জনোৱা হয়। ৰামকৃষ্ণ নগৰ মণ্ডল বিজেপিৰ সভাপতি প্ৰীতম পালে সভাপতিত্ব কৰা সভাখনত শ্ৰীভূমি জিলা বিজেপিৰ সভাপতি সঞ্জীৱ বনিকৰ লগতে জিলা বিজেপিৰ উপ-সভাপতি, ৰামকৃষ্ণ নগৰ পৌৰসভাৰ পৌৰনেত্ৰী প্ৰতিমা নাথ আৰু দলৰ আন নেত্ৰীবৃন্দও উপস্থিত থাকে।

০০০০০০

অহা বছৰ দুলীয়াজানত হ'বলগীয়া অসম সাহিত্য সভাৰ অধিৱেশন সফলতাৰে সম্পন্ন কৰাৰ বাবে অধিৱেশনৰ কাৰ্যকৰী সভাপতি তৰংগ গগৈয়ে কালি আয়োজক সমিতিৰ বিষয়ববীয়াৰ সৈতে আলোচনাত মিলিত হয়। এই আলোচনাত অধিৱেশনৰ সামগ্ৰিক প্ৰস্তুতি, বিভিন্ন সাংগঠনিক দিশ, অতিথি অভ্যৰ্থনা, আন্তঃগাঁথনি ব্যৱস্থাকে ধৰি অধিৱেশন নিয়াৰিকৈ সম্পন্ন কৰাৰ বাবে প্ৰতিটো যাৱতীয় ব্যৱস্থা চালি-জাৰি চোৱা হয়।

০০০০০০

লখিমপুৰ জিলাৰ ঢকুৱাখনাৰ টীম ঢকুৱাখনাৰ সহযোগত ঘিলামৰা কৃষ্টি ভৱনত কালি ষোড়শ বাৰ্ষিক অভিনন্দন অনুষ্ঠানৰ আয়োজন কৰা হয়। এই অনুষ্ঠানত উচ্চ মাধ্যমিক স্তৰৰ পৰা স্নাতকোত্তৰ পৰ্যায়লৈকে পৰীক্ষাত আৰু সৰ্বভাৰতীয় পৰীক্ষাসমূহত সফলতা অৰ্জন কৰা শিক্ষাৰ্থীসকলক সম্বৰ্ধনা জ্ঞাপন কৰা হয়। অনুষ্ঠানত লখিমপুৰৰ সাংসদ প্ৰদান বৰুৱা, বিধায়ক নৱ কুমাৰ দলে, অসম লেখিকা সমাৰোহ কমিটীৰ সভানেত্ৰী পুষ্পা গগৈকে ধৰি ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০০

**সমাপ্ত**